# অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
# ASSAM JATIYA BIDYALAY EDUCATION COUNCIL

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020

Ph. : 0361-2654229 (Office), e-mail : assamjatiyabidyalay@gmail.com, website : www.assamjatiyabidyalay.com


প্ৰসংগ ঃ
Ref : অজবেক/সচি/১১/২০

তাৰিখ ঃ
Date : ২৭.১১.2020

## বাতৰি

**বিষয় : অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ (AJBEC)ৰ সভা**

অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ (এজবেক), নুনমাটি, গুৱাহাটীৰ নীতি-আদৰ্শ অনুসৰি ইতিমধ্যে সমগ্ৰ অসমতে দুই হাজাৰৰো অধিক জাতীয় বিদ্যালয় গঢ়ি উঠিছে। ইতিমধ্যে সমগ্ৰ ৰাজ্যখনতে শিক্ষা সংসদৰ সাংগঠনিক পৰিকাঠামো গঢ়ি উঠিছে। জিলা সমন্বয়ৰক্ষী সমিতি গঠনৰ যোগেদি শৈক্ষিক, সাংগঠনিক কাম-কাজৰ গতি-প্ৰকৃতি তৰান্বিত কৰা হৈছে।

শেহতীয়াকৈ কামৰূপ মহানগৰ আৰু কামৰূপ জিলাৰ জাতীয় বিদ্যালয়সমূহৰ জিলা সমন্বয়ৰক্ষী সমিতি গঠনৰ কাম আগবাঢ়িছে। উল্লেখযোগ্য যে জিলা দুখনৰ ভৌগোলিক বিশালতা আৰু বিস্তৃতিৰ কথা মনত ৰাখি দুয়োখন জিলাকে কামৰূপ উত্তৰ পাৰ আৰু কামৰূপ দক্ষিণ পাৰ হিচাবে ভাগ কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

সেয়েহে অহা ২৮ নৱেম্বৰ, ২০২০ তাৰিখে কামৰূপ জিলাৰ ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণ পাৰৰ জাতীয় বিদ্যালয়সমূহৰ এক প্ৰতিনিধি সভা আয়োজন কৰা হৈছে। একেদৰে উত্তৰ পাৰৰ জাতীয় বিদ্যালয়সমূহৰ প্ৰতিনিধি সভাখন ২৯ নৱেম্বৰ, ২০২০ তাৰিখে অনুষ্ঠিত হ'ব। নিৰ্দ্ধাৰিত তাৰিখ অনুযায়ী দিনৰ ১০:৩০ বজাৰ পৰা দুয়োখন সভা অনুষ্ঠিত হ'ব। সভাৰ স্থান অসম জাতীয় বিদ্যালয়, নুনমাটি, গুৱাহাটী-২০, অসম। প্ৰতিখন বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি, সম্পাদক, প্ৰধান শিক্ষক-শিক্ষয়িত্ৰীৰ যিকোনো দুজন ব্যক্তিয়ে প্ৰতিনিধি সভাখনত অংশ ল'ব লাগিব। দুয়োখন সভাতে সংশ্লিষ্ট সকলোৰে আন্তৰিক সহযোগিতা কামনা কৰা হ'ল।

(ড০ নাৰায়ণ শৰ্মা)

সচিব
অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ